# ধ্বনিবিজ্ঞান

প্ৰাঞ্জল দাস
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
চিলাপথাৰ মহবিদ্যালয়

# ধ্বনিবিজ্ঞান

- ভাষাবিজ্ঞানৰ যিটো শাখাত মানৱ বাগযন্ত্ৰদ্বাৰা উচ্চাৰিত বাগ্ধ্বনিসমূহৰ সমস্ত জ্ঞানৰ বিতং বিশ্লেষণ কৰা হয়, ভাষাবিজ্ঞানৰ সেই শাখাটোকে ধ্বনিবিজ্ঞান বোলে।

- ধ্বনিবিজ্ঞানৰ ইংৰাজী প্ৰতিশব্দ হৈছে Phonetics। ইংৰাজী Phonetics শব্দটো গ্ৰীক ভাষাৰ শব্দ। এই শব্দটো দুটা ভাষাৰে গঠন হৈছে। Phone+ istics= Phonetics। Phone মানে হৈছে ধ্বনি আৰু istics মানে হৈছে জ্ঞান বা বিজ্ঞান। অৰ্থাৎ ধ্বনিসমূহৰ জ্ঞান য'ত পোৱা যায় অথবা যি গ্ৰন্থত ধ্বনিসমূহৰ বিশ্লেষণ আগবঢ়োৱা হয়, তেনে গ্ৰন্থক বুজাবৰ বাবে শব্দটো ব্যৱহাৰ কৰা হয়।

- ধ্বনিবিজ্ঞানত ধ্বনিসমূহ কেনেদৰে উচ্চাৰিত হয়, বক্তাৰ মুখৰ ধ্বনিসমূহ শ্ৰুতাৰ কাণত কেনেদৰে উচ্চাৰিত হয়, শ্ৰৱণ ইন্দ্ৰিয়ৰ যোগেদি শ্ৰুতাই ইয়াৰ প্ৰতি কেনেদৰে সঁহাৰি দিয়ে (বুজি পায়), লিখিত প্ৰতীকৰ যোগেদি ধ্বনিৰ প্ৰকাশ ইত্যাদি ধ্বনিবিজ্ঞানৰ অধ্যয়নৰ বিষয়।

- ধ্বনিবিজ্ঞানত ধ্বনিৰ উচ্চাৰণ, ধ্বনিসমূহৰ ধ্বনিসমূহৰ ধ্বনিগুণ, ধ্বনিসমূহৰ শ্ৰেণীবিভাজন, ধ্বনিৰ উচ্চাৰণ আৰু গ্ৰহণৰ সৈতে মানৱ শৰীৰৰ কেনে সম্পৰ্ক আদি দিশবোৰ বিশ্লেষণ কৰা হয়। ধ্বনিবিজ্ঞানত বাগিন্দ্ৰীয়, বাগিন্দ্ৰীয়ৰ অন্তৰ্গত বিভিন্ন ইন্দ্ৰিয়সমূহৰ বিষয়েও আলোচনা কৰা হয়।

# ধ্বনিবিজ্ঞানৰ ভাগসমূহ

- উচ্চাৰণাত্মক বা পৰম্পৰাগত ধ্বনিবিজ্ঞান
- ধ্বন্যাত্মক বা শ্ৰুতি ধ্বনিবিজ্ঞান
- শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান

# উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান

- উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানত ধ্বনিৰ উচ্চাৰণত বাগিন্দ্ৰীয়ৰ ভূমিকাৰ লগতে ধ্বনিৰ উচ্চাৰণৰ স্থান, প্ৰকাৰ আৰু কৌশল অনুযায়ী ধ্বনিৰ শ্ৰেণীবিভাজন, বাগধ্বনিসমূহক বিশেষ চিহ্নৰদ্বাৰা চিহ্নিতকৰণ (প্ৰতিলেখন প্ৰক্ৰিয়া) ইত্যাদি দিশ অধ্যয়ন কৰা হয়।
- ধ্বনিবোৰক মূলতঃ তিনিটা দিশৰ ভিত্তিত আলোচনা বা শ্ৰেণীবিভাজন কৰা হয়-
- ক) ঘোষত্বৰ বিচাৰ
- খ) উচ্চাৰণৰ স্থান
- গ) উচ্চাৰণৰ ধৰণ

# ধ্বন্যাত্মক ধ্বনিবিজ্ঞান

- বক্তাৰ মুখৰ ধ্বনিসমূহ শ্ৰুতাৰ কাণত কিদৰে প্ৰতিধ্বনিত হয়, সেই সম্পৰ্কে ধ্বন্যাত্মক ধ্বনিবিজ্ঞানত আলোচনা কৰা হয়। শ্ৰুতাৰ কাণ আৰু মগজুত ধ্বনিবিজ্ঞানৰ এই শাখাৰ বিশেষভাৱে দৃষ্টি আৱদ্ধ হয়।

- ধ্বন্যাত্মক ধ্বনিবিজ্ঞানৰ প্ৰধান আলোচ্য বিষয় দুখন-

- শাৰীৰিক দিশ- ১) কাণৰ গঠন, ২) কাণৰ কাৰ্য

- সজ্ঞানাত্মক দিশ-
  
  ১) স্বৰ, ব্যঞ্জন আদি ধ্বনিৰ গ্ৰহণ
  
  ২) কথনৰ অৰ্থোদ্ধাৰ

- উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান মূলতঃ বক্তাৰ লগত জড়িত। আনহাতে ধ্বন্যাত্মক ধ্বনিবিজ্ঞান মৌখিক যোগাযোগৰ অন্য গুৰুত্বপূৰ্ণ অংশীদাৰ শ্ৰুতাৰ লগতো জড়িত।

- ধ্বন্যাত্মক ধ্বনিবিজ্ঞানে ভাষাবিজ্ঞানৰ লগতে শৰীৰতত্ত্ব আৰু মনোবিজ্ঞানৰো সংগতিপূৰ্ণ দিশসমূহ অধ্যয়ন কৰে।

# শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান

- শ্ৰৱণাত্মক ধ্বনিবিজ্ঞানত ধ্বনিৰ শ্ৰৱণ গুণ বা শৰীৰিক গুণৰ বিষয়ে অধ্যয়ন কৰা হয়।

- এই শাখাই বাগধ্বনিৰ সময় নিৰ্ভৰ লক্ষণসমূহ যেনে- বাগধ্বনিয়ে সৃষ্টি কৰা কম্পনাংকৰ তৰংগ দৈৰ্ঘ, ইয়াৰ সময়, তৰংগৰ লক্ষণ ইত্যাদি আলোচনা কৰে আৰু তৰংগৰ এনে লক্ষণসমূহৰ লগত সুৰ, শ্বাসাঘাট, বিশিষ্ট ধ্বনি, উপধ্বনি আদি উচ্চাৰণাত্মক ভাষাবিজ্ঞানৰ ধাৰণাসমূহৰ সম্পৰ্ক আলোচনা কৰে।

- ধ্বনি তৰংগ, বায়ুপ্ৰৱাহ, অনুনাসিকতা, ঘোষত্ব আদি জুখিবলৈ বিভিন্ন যন্ত্ৰ পাতি ব্যৱহৰ কৰা হয় বাবে এই ভাষাবিজ্ঞানক যান্ত্ৰিক ধ্বনিবিজ্ঞান নামেৰেও জনা যায়।